VAANI
Deaf Children's Foundation

# অভিভাৱকৰ গাইড
# কেঁচুৱাৰ শ্ৰৱণ & কথা কোৱা মাইলৰ খুঁটি



**সহায়ৰ বাবে**
**আমাক ফোন কৰক**

**VAANI Helpline**
**+91 9886993555**

**Website**
**www.vaani.in**

**Location-Assam**

VAANI
Deaf Children's Foundation

# বধিৰ শিশুক কেনেকৈ চিনাক্ত কৰিব পাৰি

## শ্ৰৱণ অসুবিধাৰ লক্ষণ

| শিশুৰ বয়স/ শিশু | সূচকসমূহ |
|---|---|
| **০ – ৩ মাহ** | • ডাঙৰ শব্দ হ'লেও শিশুটিয়ে উচপ্ খাই নুঠে বা চকুৰ পতা নলৰায়।<br>• শিশুটিয়ে কান্দিলে আপুনি নিচুকালেও কান্দোন বন্ধ নহয়।<br>• কথা ক'লে কথা কোৱাজনৰ ফালে মূৰটো নুঘুৰায়। |
| **৩ – ৬ মাহ** | • ডাঙৰ শব্দ হ'লে সাৰ নাপায়।<br>• শব্দৰ পুনৰাবৃত্তি নকৰে ।<br>• শব্দ কৰা খেলোনা খেলোতে সহাৰি নিদিয়ে ।<br>• শব্দ উৎপত্তি হোৱাৰ ফালে মূৰ ঘূৰাই নাচায় । |
| **৬ – ১০ মাহ** | • সাধাৰণ শব্দবোৰ যদি নাজানে, যেনে- টা-টা<br>• আন শিশুৱে 'কল-কলোৱাৰ দৰে যদি শব্দ নকৰে ।<br>• যদি কোনো শব্দ অনুকৰণ নকৰে । |
| **১০ – ১৫ মাহ** | • কোনো শব্দ ব্যৱহাৰ নকৰে ।<br>• সাধাৰণ চিনাকি বস্তু সুধিলেও যদি আঙুলিয়াই নিদিয়ে ।<br>•'মোক দিয়া' বা 'ইয়ালৈ আহা' বুলি ক'লেও বুজি নাপায় বা নিৰ্দেশ নামানে । |
| **১৫ – ১৮ মাহ** | • যদি বাক্য ক'বলৈ কোনো শব্দ ব্যৱহাৰ নকৰে ।<br>• 'হয়' বা 'নহয়' বুলি উত্তৰ দিব লগা সাধাৰণ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে । |
| **১৮ – ২৪ মাহ** | • সাধাৰণ বাক্যাংশ বুজি নাপায়।<br>• ক্ৰীয়াভিত্তিক শব্দ যেনে- 'দৌৰা', 'বহা' বুলি ক'লে বুজি নাপায় । |
| **২৪ – ৩৬ মাহ** | • সাধাৰণ নিৰ্দেশবোৰ বুজি নাপায় ।<br>•কেতিয়াবা প্ৰতিক্ৰিয়া কৰে কেতিয়াবা নকৰে।<br>• কথা কোৱাত দুৰ্বল ।<br>• প্ৰায়ে কয় "কি?" |

| **২ বছৰৰ পিছত** | **স্কুলত** |
|---|---|
| • জোৰকৈ টিভিৰ শব্দ শুনিবলৈ প্ৰয়োজন ।<br>• কথা পাতিলে বিভ্ৰান্ত যেন লাগে ।<br>• প্ৰত্যাহাৰ কৰা বা উত্তাৰল যেন লাগে ।<br>• কেতিয়াবা শুনে আৰু কেতিয়াবা নুশুনে ।<br>• বয়স  অনুসৰি বাক্যত দুৰ্বল ।<br>• প্ৰত্যাহাৰ বা উত্তাৰল কৰা দেখা যায়।<br>• শ্ৰেণীত মনোযোগ নিদিয়ে । | • বানান ভুল কৰে ।<br>• শিক্ষকে কথা কওঁতে বিভ্ৰান্ত যেন লাগে ।<br>• লিপ ৰীড  কৰিবলৈ চেষ্টা কৰে ।<br>• যি পঢ়ে, নিজে বুজি নাপায় ।<br>• শিক্ষকে কথা কওঁতে সহপাঠীৰ ওচৰলৈ সহায় বিচাৰি যায় । |

VAANI
Deaf Children's Foundation

# শুনা বিকাশৰ স্তৰ মাইলৰ খুঁটি

1 **০–৩ মাহ**

ডাঙৰ শব্দ হ'লে উচপ্ খাই, চিনাকি মাত শুনিলে শান্ত হয় ।




2 **৩–৬ মাহ**

শব্দৰ ফালে মূৰ ঘূৰাই চাই, সংগীত আৰু কণ্ঠ উপভোগ কৰে



3 **৬–১২ মাহ**

নামৰ প্ৰতি সঁহাৰি জনায়, “নাই” বা “ বাই-বাই” আদি সহজ শব্দ বুজি পায়।




4 **১২–১৮ মাহ**

চিনাকি বস্তুৰ নাম কলে, আঙুলিয়াই দেখুৱাই; সহজ নিৰ্দেশনা বোৰ বুজি পায়।



5 **১৮–২৪ মাহ**

শৰীৰৰ অংগসমূহৰ নাম চিনি পায় আৰু অধিক জটিল নিৰ্দেশনা বুজি পায়।




7 **২–৩ বছৰ**

সহজ কাহিনী বুজি পায়, সাধাৰণ বস্তু চিনাক্ত কৰে ।



8 **৩–৪ বছৰ**

সহজ প্ৰশ্নৰ উত্তৰ দিয়ে, “কোন”, “কি”, “কত” বুজিপায়




9 **৪–৫ বছৰ**

ঘৰ আৰু স্কুলত কোৱা কথাবোৰৰ বেছিভাগেই বুজি পায়, বহু পদক্ষেপৰ নিৰ্দেশনা অনুসৰণ কৰে।



VAANI
Deaf Children's Foundation

# কথন বিকাশৰ মাইলৰ খুঁটি

**1**

## ০–৩ মাহ



কু-কু ফূৰ্তিসূলভ শব্দ কৰে, (কোমল স্বৰৰ শব্দ কৰে, যেনে-“oooh,” “ahhh,” “eeeh, আনন্দদায়ক শব্দ, যেনে-“mmm,” “ahh-goo,” বা খোৱাৰ সময়ত আৰামদায়ক শব্দ কৰে, যেনে-“mmm-mmm".)

**2**

## ৩–৬ মাহ



কলকলোৱা আৰম্ভ কৰে, হাঁহিবলৈ আৰু বিভিন্ন শব্দ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে।

**3**

## ৬–১২ মাহ




১ বছৰৰ ভিতৰত কলকলোৱাৰ পৰা শব্দ ক'ব পৰা হয় । যেনে (“বা-বা,” “দা-দা”)

**4**

## ১২–১৮ মাহ



৫–১০টা শব্দ কয়, শব্দ অনুকৰণ কৰে, ইংগিতৰ সৈতে শব্দৰ সংমিশ্ৰণ ঘটায়।

**5**

## ১৮–২৪ মাহ



শব্দভাণ্ডাৰ বৃদ্ধি পায় ~৫০ শব্দলৈ, ২টা-শব্দৰ সংমিশ্ৰণ আৰম্ভ কৰে। (“অধিক ৰস”)

**6**

## ২–৩ বছৰ



২ বা ৩টা শব্দৰ বাক্য ব্যৱহাৰ কৰে, পৰিয়ালে বাক্য  বুজি পায় ।

**7**

## ৩ – ৪ বছৰ



চুটিগল্প কয়, বহুত প্ৰশ্ন কৰে, আনবোৰৰ দৰে কথন ~৭৫% স্পষ্ট হয় ।

**8**

## ৪–৫ বছৰ



সম্পূৰ্ণ বাক্যত কথা কয়, ব্যাকৰণ বুজি পায় আৰু ব্যৱহাৰ কৰে, আৰু অচিনাকি মানুহে তেওঁৰ কথা সহজে বুজি পায় ।